# প্ৰতিবেদন

### অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰালয়ৰ নিৰ্দেশ মৰ্মে

### ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ সামৰণি অনুষ্ঠানৰ সৈতে সংগতি ৰাখি

## “মানুহে মানুহৰ বাবে”

## গীত পৰিৱেশন শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান

### এ এছ বি চি মহাবিদ্যালয় উদালী বজাৰ, হোজাই, অসম।

### ৮ ছেপ্তেম্বৰ ২০২৬, মঙ্গল বাৰ।

অসমৰ সাংস্কৃতিক আকাশৰ উজ্জ্বল নক্ষত্ৰ, ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্মৃতিৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰি এ এছ বি চি মহাবিদ্যালয়ত তেওঁৰ জন্ম শতবৰ্ষ উপলক্ষে এক গাম্ভীৰ্যপূৰ্ণ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লক্ষ্মীনন্দ বৰদলৈৰ নেতৃত্বত আয়োজিত অনুষ্ঠানটিত অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে।




**বন্তি প্ৰজ্বলন আৰু ড° ভূপেন হাজৰিকাৰ প্ৰতিছৱিত পুষ্পাঞ্জলি অৰ্পণ**

অনুষ্ঠানটো সঞ্চালনা কৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ৰিংকু বড়োৱে। আৰম্ভণিতে সুধাকণ্ঠৰ স্মৃতিত বন্তি প্ৰজ্বলন আৰু প্ৰতিছৱিত পুষ্পাঞ্জলি অৰ্পণ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লক্ষ্মীনন্দ বৰদলৈয়ে। এই পৱিত্ৰ ক্ষণত উপস্থিত অধ্যাপক-অধ্যাপিকা আৰু

ছাত্ৰ-ছাত্ৰীসকলেও শ্ৰদ্ধাৰে অংশগ্ৰহণ কৰে। সঞ্চালক ৰিংকু বড়োৱে ড° ভূপেন হাজৰিকাৰ বিশাল সৃষ্টিৰাজি, মানৱতাবাদী দৃষ্টিভংগী আৰু সংগীতৰ জৰিয়তে সমাজক একত্ৰিত কৰাৰ অনন্য অৱদানৰ বিষয়ে চমুকৈ আলোকপাত কৰে।




**অনুষ্ঠানত উপস্থিত অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সমূহীয়াভাৱে** গীত পৰিৱেশনৰ দৃশ্য

ইয়াৰ পিছত ড° ভূপেন হাজৰিকাৰ কালজয়ী আৰু বিশ্ববিখ্যাত গীত 'মানুহে মানুহৰ বাবে' সমূহীয়াভাৱে পৰিৱেশন কৰা হয়। গীতটোৰ অন্তৰ্নিহিত মানৱপ্ৰেম, সহমৰ্মিতা আৰু ভাতৃত্ববোধে অনুষ্ঠানস্থলীত এক আবেগঘন পৰিৱেশৰ সৃষ্টি কৰে। পৰৱৰ্তী পৰ্যায়ত অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক মক্ৰম হুছেইন, সহকাৰী অধ্যাপিকা নীলিমা হাজৰিকা আৰু অসমীয়া বিভাগৰ প্ৰথম ষান্মাসিকৰ ছাত্ৰ কেশৱ দাসে সুধাকণ্ঠৰ একোটাকৈ জনপ্ৰিয় গীত পৰিৱেশন কৰি উপস্থিত সকলোৰে মন প্ৰাণ জীপাল কৰি তোলে।





**অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক মক্ৰম হুছেইনৰ গীত পৰিৱেশন**




**অসমীয়া বিভাগৰ প্ৰথম ষান্মাসিকৰ ছাত্ৰ কেশৱ দাসৰ গীত পৰিৱেশন**

অনুষ্ঠানৰ পৰৱৰ্তী অংশত সঞ্চালক ৰিংকু বড়োৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° অমৰ জ্যোতি চৌধুৰীৰ জনপ্ৰিয় গীতি-কবিতা 'মৃত্যু জিনাৰ উদ্‌যাপনৰ গান' পৰিৱেশন কৰে। তেওঁৰ কণ্ঠত গীতি-কবিতাটোৱে অনুষ্ঠানৰ গাম্ভীৰ্য আৰু আৱেগ অধিক গভীৰ কৰি তোলে।

অনুষ্ঠানৰ অন্তিম পৰ্যায়ত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লক্ষ্মীনন্দ বৰদলৈয়ে সাৱলীল বক্তব্যৰে কয় যে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱ কেৱল অসমৰ এগৰাকী মহান শিল্পী নহয়, তেওঁ সমগ্ৰ মানৱ জাতিৰ এগৰাকী মহান কণ্ঠস্বৰ।তেওঁৰ গীতত প্ৰতিধ্বনিত হৈছে মানৱতা, সাম্য, ভাতৃত্ববোধ আৰু শোষিত-নিপীড়িত মানুহৰ অধিকাৰৰ কথা। 'মানুহে মানুহৰ বাবে' গীতটোৱে আমাক পৰস্পৰৰ প্ৰতি সহমৰ্মিতা, সহায়-সহযোগিতা আৰু দায়িত্ববোধৰ শিক্ষা দিয়ে।তেওঁৰ সৃষ্টিৰাজীয়ে জাতি, ধৰ্ম, ভাষা আৰু ভৌগোলিক সীমাৰ ঊৰ্দ্ধত উঠি মানুহক মানুহ হিচাপে ভালপাবলৈ শিকাইছে। ছাত্ৰ-ছাত্ৰীসকলে তেওঁৰ জীৱন আৰু আদৰ্শৰ পৰা অধ্যৱসায়, সৃষ্টিশীলতা, দেশপ্ৰেম আৰু মানৱীয় মূল্যবোধৰ শিক্ষা গ্ৰহণ কৰিব লাগে। তেওঁৰ গীত আৰু চিন্তাধাৰা আমাৰ সমাজত শান্তি, সম্প্ৰীতি আৰু ঐক্য প্ৰতিষ্ঠাৰ এক অমূল্য প্ৰেৰণাৰ উৎস। 'সুধাকণ্ঠৰ অমৰ সৃষ্টিৰাজী যুগে যুগে নতুন প্ৰজন্মক আলোকিত কৰি থাকিব। শেষত ছাত্ৰ-ছাত্ৰীসকলক ড° ভূপেন হাজৰিকাৰ মানৱতাবাদী আদৰ্শক জীৱনত ধাৰণ কৰিবলৈ আৰু সমাজৰ কল্যাণত নিজকে নিয়োজিত হ'বলৈ আহ্বান জনায়, তেওঁ নিজেও 'মানুহে মানুহৰ বাবে' গীতটি পৰিৱেশন কৰি অনুষ্ঠানটোক এক অনন্য সৌষ্ঠৱ প্ৰদান কৰে।




মহাবিদ্যালয়ৰ অধ্যক্ষৰ বক্তব্য প্ৰদান আৰু গীত পৰিৱেশন

অধ্যক্ষৰ বক্তব্য আৰু গীত পৰিৱেশনৰ পিছত সঞ্চালক ৰিংকু বড়োৱে গাম্ভীৰ্যপূৰ্ণ বক্তব্যৰে অনুষ্ঠানৰ সামৰণি ঘোষণা কৰে। সমগ্ৰ অনুষ্ঠানটোৱে ড° ভূপেন হাজৰিকাৰ সংগীত-চিন্তা, মানৱীয় মূল্যবোধ আৰু সামাজিক সম্প্ৰীতিৰ বাণী নতুন প্ৰজন্মৰ মাজত পুনৰ সজীৱ কৰি তোলে। তেওঁৰ সৃষ্টিৰাজি কেৱল সংগীতৰ সম্পদ নহয়; ই অসমীয়া জাতিৰ আত্মপৰিচয়, মানৱতাৰ প্ৰতি দায়বদ্ধতা আৰু ঐক্যৰ এক চিৰন্তন আহ্বান।

প্ৰতিবেদন

Principal
Alhaz Sunai Bibi Choudhury College
Udali Bazar, Hojai